**3 (Sem–6) ASM L 2**

**2016**

# ELECTIVE ASSAMESE

Paper : 6.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) অসমীয়া সাহিত্যৰ প্ৰথমখন জনজাতীয় উপন্যাসৰ নাম কি ?

(খ) বেজবৰুৱাৰ গল্পপুথি এখনৰ নাম লিখা।

(গ) বাখৰৰ দেউতাক কোনখন চাহ বাগিছাৰ বৰকেৰাণী আছিল ?

(ঘ) 'কলং আজিও বয়' গল্পপুথিখনৰ গল্পকাৰ কোন ?

(ঙ) নদৰামৰ ঘৈণীয়েক কালৈ গুছি গৈছিল ?

(চ) বাখৰ আৰু অনুপমাৰ জীয়েকৰ নাম কি ?

(ছ) ৰেৱতী মোহন দত্ত চৌধুৰীয়ে কি ছদ্মনামত গল্প লিখিছিল ?

(জ) 'বাৰিষা' নামৰ চুটিগল্পটো কোনখন গল্প-সংকলনৰ অন্তৰ্গত ?

(ঝ) দয়াল কোন মহলদাৰৰ মহৰী আছিল ?

(ঞ) 'ডাৱৰ আৰু নাই'ত কোনখন বিশ্বযুদ্ধৰ কথা বৰ্ণিত হৈছে ?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) পদ্মনাথ গোহাঞি বৰুৱাৰ উপন্যাস দুখনৰ নাম কি কি ?

(খ) ৰাস্না বৰুৱাৰ প্ৰকৃত নাম কি? তেওঁ চাহ বাগিচাৰ পটভূমিত লিখা উপন্যাসখনৰ নাম কি ?

(গ) 'আৱাহন' কাকতখন কেতিয়া প্ৰকাশিত হৈছিল ? কাকতখনৰ প্ৰথম সম্পাদক কোন আছিল ?

(ঘ) "তুমি সাচ্চা আদ্‌মি আছে। ভাটিৰামক আমি খালাচ দিব।" কথাষাৰ কোনে, কাক কৈছিল ?

(ঙ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য কোন যুগৰ গল্পকাৰ ? তেওঁ কোনখন গ্ৰন্থৰ বাবে জ্ঞানপীঠ বঁটা লাভ কৰিছিল ?

৩। তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ''বাকভঙ্গীৰ সবলতা শৰৎচন্দ্ৰ গোস্বামীৰ গল্পৰ মন কৰিবলগীয়া বৈশিষ্ট্য।'' 'নদৰাম' গল্পটোৰ আলমত কথাষাৰ ব্যাখ্যা কৰা।

(খ) মাকণে কিয় আৰু কেনেধৰণে মৰণ ব্ৰত লৈছিল, 'মাকণৰ গোঁসাই' গল্পৰ আধাৰত আলোচনা কৰা।

(গ) ফেলুবাবু কোন? তেওঁ কিয় মধুপুৰলৈ আহিছিল?

(ঘ) 'ডাৱৰ আৰু নাই'ত ঔপন্যাসিকে ঠিকাদাৰ শ্ৰেণীৰ আদৰ্শ নৈতিকতা কেনেভাৱে দেখুৱাইছে, চমুকৈ লিখা।

৪। (ক) ''অসমীয়া উপন্যাসে প্ৰতিষ্ঠা লাভ কৰে ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহৰ যোগেদি।'' সমালোচকৰ এই মন্তব্যৰ সাৰ্থকতা বিচাৰ কৰা। ১০

*অথবা*

(খ) অসমীয়া চুটিগল্পৰ ইতিহাসত লক্ষ্মীনাথ বেজবৰুৱাৰ স্থান সম্পৰ্কে এটি আলচ যুগুত কৰা। ১০

৫। (ক) ''শীলভদ্ৰই তেওঁৰ গল্পত পতনোন্মুখী, বিগতপ্ৰায় সমাজ আৰু ব্যক্তিৰ ছবি সজীৱ ৰূপত দাঙি ধৰিছে।'' 'মধুপুৰ বহুদূৰ' গল্পটোৰ আধাৰত কথাষাৰ বিচাৰ কৰা। ১০

*অথবা*

(খ) 'বাৰিষা' গল্পটোত নিম্নবিত্ত শ্ৰেণীৰ প্ৰতি গল্পকাৰৰ সহানুভূতি কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা। ১০

৬। (ক) "যুদ্ধ বেয়া বস্তু, কাৰণ যুদ্ধই মানুহক বেয়া কৰে। যুদ্ধই মানুহৰ মন ভাঙে। যুদ্ধই মানুহৰ সংসাৰ ভাঙে।" ভীমৰ এই উপলব্ধিৰ সত্যতা উপন্যাসখনত কেনেদৰে নিৰূপণ কৰা হৈছে, ফঁহিয়াই দেখুওৱা। ১০

*অথবা*

(খ) পৰম্পৰাবাদী উপন্যাস হিচাপে 'ডাৱৰ আৰু নাই' উপন্যাসখন আলোচনা কৰা। ১০

৭। (ক) দ্বিতীয় মহাসমৰে অসমৰ ৰাজনৈতিক আৰু নৈতিক জীৱনলৈ কেনে পৰিৱৰ্তন আনিছিল, 'ডাৱৰ আৰু নাই' উপন্যাসখনৰ আলমত আলোচনা কৰা। ১০

*অথবা*

(খ) চৰিত্ৰ বিশ্লেষণ কৰা (যি কোনো দুটা) : ৫×২=১০

বাখৰ ; অনুপমা ; গিৰীণ ; ডেভিদ গ্ৰব্লিলছ

★★★